REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-10-2023
Time : 1845 Hrs.

**ASSAMESE EVENING BULLETIN**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে আজি সমগ্ৰ দেশত এক তাৰিখ এঘণ্টা, একেলগে শীৰ্ষক শ্ৰমদান অভিযান ৰূপায়ণ।

২। অসমৰ চাফাই কৰ্মীসকলৰ বাবে ৰাজ্য চৰকাৰৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষে ২হেজাৰ নতুন ঘৰ নিৰ্মাণৰ পৰিকল্পনা। চাফাই কৰ্মচাৰীৰ সন্তানৰ বাবে জলপানি ঘোষণা।

৪। অসমৰ চাৰিখন জিলাতহে আজিৰে পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন, চমুকৈ AFSPAবলবৎ হৈ থাকিব বুলি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙৰ প্ৰকাশ।

৫। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ উদ্যোগত আয়োজিত চতুৰ্থ বাৰ্ষিক গোলাপ শইকীয়া আৰু দ্বিতীয় বাৰ্ষিক প্ৰতাপ বৰদলৈ সোঁৱৰণি বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ বঁটা বিতৰণী অনুষ্ঠান সম্পন্ন।

*আৰু*

৬ / এছিয়ান গেমছৰ ২০০ মিটাৰ দৌৰৰ ছেমি ফাইনেলত অসম সন্তান অম্লান বৰগোহাঁইৰ প্ৰৱেশ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে আজি সমগ্ৰ দেশত এক তাৰিখ এঘণ্টা, একেলগে শীৰ্ষক চাফাই অভিযান চলোৱা হয়। দেশৰ অন্য প্ৰান্তৰ লগতে অসমৰ ভিন্ন অঞ্চলত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এক তাৰিখ এঘণ্টা একেলগে কাৰ্যসূচীৰ অধীনত আজি দিনৰ ১০ বজাত গান্ধী মণ্ডপত শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ সৈতে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংঘাল আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰকে ধৰি অন্যান্য বিষয়াসকলে অংশগ্ৰহণ কৰে। শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ চাফাই কৰ্মীসকলৰ বাবে ৰাজ্য চৰকাৰে ৫০০ কোটি টকা ব্যয়সাপেক্ষে ২হেজাৰ নতুন ঘৰ নিৰ্মাণ কৰাৰ অভিলাষী আঁচনি হাতত লৈছে বুলি উল্লেখ কৰে। চাফাই কৰ্মচাৰীৰ সন্তানে মেট্ৰিকত উত্তীৰ্ণ হ'লে বছৰি ১০ হাজাৰ টকা, উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হ'লে ১৫হাজাৰ টকা, চিকিৎসা, অভিযান্ত্ৰিক আদি বৃত্তিমুখী পাঠ্যক্ৰম পঢ়িলে ৫০ হাজাৰ টকাৰ জলপানি লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ কয় যে আজি ৰাজ্যৰ ২২হাজাৰ ৪২২ টা স্থানত শ্ৰমদান কাৰ্যসূচী অনুষ্ঠিত হৈছে।

আনহাতে, কৃষিমন্ত্ৰী অতুল বৰাই বিষয়া কৰ্মচাৰীসকলৰ সৈতে খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদত এঘণ্টা শ্ৰমদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সাংসদ কুইন ওজাই মহানগৰীৰ নলিনীবালা দেৱী উদ্যানত শ্ৰমদান কাৰ্যসূচীত অংশ লয়। একেদৰে, গুৱাহাটী পৌৰ নিগমেও আজি দিনৰ ১০ বজাৰ পৰা সমগ্ৰ পৌৰ নিগম এলেকাত সৰ্বমুঠ ১২০ টা কাৰ্যসূচী হাতত লয়।

গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে চহৰখনৰ এ এছ টি চি বাছ আস্থানৰ পৰা চাফাই অভিযানৰ শুভাৰম্ভ কৰে। এই চাফাই কাৰ্যসূচীত অতিৰিক্ত আয়ুক্ত, পৌৰ আয়ুক্ত, আৰক্ষী আৰু চি আৰ পি এফ বাহিনীৰ জোৱানসকলে অংশগ্ৰহণ কৰে।

এক তাৰিখ এঘণ্টা শীৰ্ষক অভিযানৰ অধীনত কৰিমগঞ্জ জিলাৰ ভিন্ন স্থানত চাফাই অভিযান ৰূপায়ন কৰা হয়। জিলাখনৰ সকলো চৰকাৰী বে-চৰকাৰী অনুষ্ঠান, শিক্ষানুষ্ঠান আৰু সংগঠনৰ সহযোগত সকলো প্ৰান্তত শ্ৰমদান কাৰ্যসূচী ৰূপায়ন কৰা হয়।

এন ডি আৰ এফৰ প্ৰথম বেটেলিয়ানৰ উদ্যোগত আজি স্বচ্ছতা সেৱাৰ অংশ হিচাপে আৰু গান্ধী জয়ন্তীৰ প্ৰাক্ মুহূৰ্তত বেটেলিয়ানৰ কমাণ্ডেণ্ট এইছ পি এছ কাণ্ডাৰীৰ নেতৃত্বত চাৰিগৰাকী বিষয়া আৰু ৩৭৫গৰাকী জোৱানে গুৱাহাটীৰ ভিন্ন প্ৰান্তত দিনৰ ১০বজাৰ পৰা ১১ বজালৈ এঘণ্টাৰ স্বচ্ছতা অভিযানত অংশ লয়।

একেদৰে, শোণিতপুৰ জিলাৰ বিভিন্ন অঞ্চলত এই অভিযান ৰূপায়ন কৰা হয়। বিধায়ক গণেশ কুমাৰ লিম্বুৱে বৰচলা সমষ্টিৰ বৰভগীয়া বেলচিৰি আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত চাফাই কাৰ্যসূচীত অংশ লয়।

স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই মৰিগাঁও জিলাত স্বচ্ছতাই সেৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

এই অভিযানৰ সৈতে সংগতি ৰাখি ওদালগুৰি জিলাৰ বিভিন্ন স্থানৰ লগতে টংলা পৌৰ সভা, ৰে'ল ষ্টেচন, বাছ আস্থান, বজাৰস্থলী, চিকিৎসালয়ত সমূহীয়াকৈ শ্ৰমদান কাৰ্যসূচী আয়োজন কৰা হয়।

বৰপেটা জিলাৰ সকলো চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান, কাৰ্যালয়, সংগঠনৰ সহযোগত জিলাখনৰ সকলো প্ৰান্তত এঘণ্টাৰ বাবে শ্ৰমদান কাৰ্যসূচী ৰূপায়ন কৰা হয়।

একেদৰে, শিৱসাগৰ জিলাতো পৌৰ সভাৰ নেতৃত্বত বৃহৎ স্বচ্ছতা অভিযান চলোৱা হয়। অ' এন জি চি-ৰ অসম সম্পদৰ লগতে চি আৰ পি এফৰ ১৪৯ নম্বৰ বেটেলিয়নে শিৱদৌলকে ধৰি বিভিন্ন ঠাইত স্বচ্ছতা অভিযান ৰূপায়ন কৰে।

এক তাৰিখ এঘণ্টা শীৰ্ষক কাৰ্যসূচীৰ অধীনত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীসকলে শ্ৰীশ্ৰীগড়মূৰ সত্ৰত শ্ৰমদান কৰে।

আন আন জিলাসমূহৰ লগতে যোৰহাট, চৰাইদেউ,কাৰ্বি আংলং, নগাঁও, বাক্সা, ওদালগুৰি, ধুবুৰী জিলাতো স্বচ্ছতাই সেৱাৰ অংশ হিচাপে এক তাৰিখ এঘণ্টা শ্ৰমদান কাৰ্যসূচী সম্পন্ন কৰা হয়।

০০০০০০০

অসমৰ চাৰিখন জিলাতহে আজিৰে পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন, চমুকৈ AFSPAবলবৎ হৈ থাকিব বুলি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে ঘোষণা কৰিছে। দেশৰ চোৰাংচোৱা সংস্থাৰ মুৰব্বী তপন ডেকাৰ উপস্থিতিত আজি কাহিলিপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ন চৌহদত অসম আৰক্ষী দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ শ্ৰীসিঙে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, আজিৰে পৰা চৰাইদেউ, ডিব্ৰুগড়, শিৱসাগৰ আৰু তিনিচুকীয়া জিলাতহে AFSPA বলবৎ হৈ থাকিব। বাকী জিলাসমূহক অশান্ত অঞ্চল আইন আৰু AFSPAৰ আওতাৰ পৰা মুকলি কৰি দিয়া হৈছে বুলি তেওঁ কয়। শ্ৰীসিঙে অসম লোকসেৱা আয়োগৰ পৰীক্ষা কেলেংকাৰী গোচৰৰ বাবে বিশেষ তদন্তকাৰী গোট গঠন কৰা হ'ব বুলিও ঘোষণা কৰে। তেওঁ কয় যে, তথ্য প্ৰমাণ লাভ কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।এই অনুষ্ঠানত আৰক্ষীৰ কেইবাটাও দলে মাৰ্চপাষ্ট পৰিৱেশন কৰে।

০০০০০০

আজি অসম আৰক্ষী দিৱস। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ কাহিলিপাৰাৰ চতুৰ্থ অসম আৰক্ষী বেটেলিয়ান চৌহদত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ইণ্টেলিজেঞ্চ ব্যুৰ'ৰ সঞ্চালক তপন ডেকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। আনহাতে এই দিৱসৰ সৈতে সংগতি ৰাখি অসম আৰক্ষীৰ বিভিন্ন পদবীত কৰ্মৰত ৯০ গৰাকীলৈ ২০২৩ বৰ্ষৰ বাবে পদক আগবঢ়োৱা কথা ঘোষণা কৰা হৈছে। অসম আৰক্ষী দিৱস উপলক্ষে ডি জি পিৰ উৎকৃষ্ট সেৱা মেডেলৰ বাবে তিনিচুকীয়া জিলা আৰক্ষীৰ দুজন বিষয়া নিৰ্বাচিত হৈছে। তিনিচুকীয়া জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলামে সোণৰ মেডেল আৰু উপ-পৰিদৰ্শক তথা মাকুম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰজ্যোতি বৰুৱাই ৰূপৰ মেডেল লাভ কৰিছে।

আনহাতে, তিনিচুকীয়া জিলা আৰক্ষীৰ উদ্যোগতো অসম আৰক্ষী দিৱস পালন কৰা হয়। পতাকা উত্তোলন পিছতে আৰক্ষীসকলক শপতবাক্য পাঠ কৰোৱা হয়।

একেদৰে যোৰহাট আৰক্ষীৰ উদ্যোগতো যোৰহাট পুলিচ ৰিজাৰ্ভত অসম আৰক্ষী দিৱসৰ লগত সংগতি ৰাখি পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ন কৰা হয়। লগতে জনহিত জনসেৱাৰ্থে এই বাণী সৰোগত ন্যায় নিষ্ঠ আৰু বলিষ্ঠভাৱে ৰাইজক সেৱা আগবঢ়োৱাৰ বাবে পুনৰ  সংকল্প গ্ৰহণ কৰা হয়। আৰক্ষীসকলে জনসাধাৰণৰ বাবে সৰ্বস্ব বলিদান দিয়া অসম আৰক্ষীৰ জোৱানসকলৰ অদম্য সাহস আৰু ত্যাগক স্মৰণ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ উদ্যোগত  আয়োজিত চতুৰ্থ বাৰ্ষিক গোলাপ শইকীয়া আৰু দ্বিতীয় বাৰ্ষিক প্ৰতাপ বৰদলৈ সোঁৱৰণি বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা আজি কেন্দ্ৰটোৰ চৌহদত অনুষ্ঠিত হয়। ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে বহিঃৰাজ্যৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন তিনিটা শাখাত অনুষ্ঠিত হৈছিল। এই অনুষ্ঠানত আকাশবাণীৰ উত্তৰ-পূবৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰ, আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো, সাংবাদিক বেদব্ৰত দেৱমিশ্ৰ, গৌতম শৰ্মা, প্ৰয়াত প্ৰতাপ বৰদলৈৰ সহধৰ্মিণী ৰুমা বৰদলৈ, গোলাপ শইকীয়াৰ সহধৰ্মিণী বন্তি হাজৰিকা আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলো উপস্থিত থাকে। সাংবাদিক দেৱব্ৰত মিশ্ৰই প্ৰয়াত বৰদলৈ আৰু শইকীয়াৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপনৰ লগতে পৰিৱেশ, সমাজ আৰু মূল্যবোধৰ পৰিৱৰ্তন আদি গুৰুত্বপূৰ্ণ বিষয় সামৰি বক্তৃতা দিয়ে। আনহাতে সাংবাদিক শ্ৰীশৰ্মাই নিজৰ ভাষণত ৰেডিঅ' বা অনাতাঁৰ মাধ্যমৰ বিশ্বজুৰি গুৰুত্ব আৰু ভূমিকাৰ ওপৰত আলোকপাত কৰাৰ লগতে ৰেডিঅ'ক জনমুখী কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰে। এই অনুষ্ঠানত প্ৰতাপ বৰদলৈৰ সোঁৱৰণত এখন গ্ৰন্থ উন্মোচন কৰাৰ লগতে প্ৰয়াত গোলাপ শইকীয়াৰ জ্যেষ্ঠা ভগ্নী জুনু নেওগ শইকীয়াৰ এখন কাব্যগ্ৰন্থও উন্মোচন কৰা হয়। সংগীতা শৰ্মাই আঁত ধৰা অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিবেশক জুলি শৰ্মা বৰুৱাই হাৱাইন গীটাৰ বাদন কৰাৰ লগতে ভাস্কৰজ্যোতি আচাৰ্য, মনদ্বীপ মহন্তই গীত, জুনু নেওগ শইকীয়া আৰু জিণ্টিৰাণী ডেকাই আবৃত্তি পৰিবেশন কৰে। আকাশবাণী গুৱাহাটীৰ বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মাই অনুষ্ঠানত উপস্থিত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰি পৰৱৰ্তী সময়তো এনে প্ৰচেষ্টা অব্যাহত ৰখা হ'ব বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে, তিনিটা শাখাত আয়োজিত

বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ ক-শাখাত গুৱাহাটীৰ হীতাৰ্থ কাশ্যপক প্ৰথম, নগাওঁৰ স্তুতিনন্দা শইকীয়াক দ্বিতীয় আৰু মঙলদৈৰ দৰ্শনা ভৰদ্বাজক তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। খ-শাখাত নগাওঁৰ নিশিগন্ধা বড়োক প্ৰথম, লখিমপুৰৰ লীনা বৰুৱাক দ্বিতীয় আৰু লখিমপুৰৰ পৰিক্ষিত মেধি তথা গুৱাহাটীৰ আমিনগাওঁৰ ৰশ্মিতা হীৰাক যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। একেদৰে গ-শাখাত গুৱাহাটীৰ ভাৰ্গৱী নাথক প্ৰথম, শ্বিলঙৰ নেহুৰ ছাত্ৰী ৰিকি তালুকদাৰক দ্বিতীয় আৰু গুৱাহাটীৰ প্ৰাঞ্জলী ভট্টক তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। গুৱাহাটীৰ মনোৰমা গোস্বামী আৰু লিলি দাসক জ্যেষ্ঠ অংশগ্ৰহণকাৰী হিচাপে বিচাৰকৰ বিশেষ বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত চাৰি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। এই অনুষ্ঠানটো অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ সহযোগত অনুষ্ঠিত হয়।

০০০০

ৰাজ্য চৰকাৰৰ সিদ্ধান্ত অনুসৰি কাইলৈৰ পৰা ২৫০ মিলিলিটাৰ পানী বটল নিষিদ্ধ হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰকাশ কৰিছে। চৰকাৰৰ সিদ্ধান্ত অনুসৰি ৫০০ মিলিলিটাৰৰ পানী বটল অহা বছৰৰ ২ অক্টোবৰৰ পৰা নিষিদ্ধ হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমীয়া বহু থলুৱা উদ্যোগীয়ে ৫০০ মিলিলিটাৰৰ পানী বটলৰ উদ্যোগ স্থাপন কৰিছে। তেওঁলোকে এই ৫০০ মিলিলিটাৰৰ পানীৰ উদ্যোগ এক লিটাৰলৈ পৰিৱৰ্তন কৰিব পাৰে তাৰ বাবে এবছৰৰ সময় বিচাৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। আনহাতে, ৫০০ মিলিলিটাৰৰ পৰা এক মিলিলিটাৰৰ উদ্যোগলৈ পৰিবৰ্তন কৰিব বিচৰা উদ্যোগীসকলক ১০ শতাংশ ৰাজসাহায্য দিয়া হ'ব বুলি তেওঁ ঘোষণা কৰে।

০০০০০০০

স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি মৰিগাঁও জিলাত অসম চৰকাৰৰ অভিলাষী কাৰ্যসূচী মিচন বসুন্ধৰা টু কাৰ্যসূচী ৰূপায়ণৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। জিলা আয়ুক্তৰ লগতে মৰিগাঁও, মায়ং, লাহৰীঘাট, মিকিৰভেটা আৰু ভূৰাগাঁৱৰ চক্ৰ বিষয়াসকলে এই বৈঠকত উপস্থিত থাকে। বৈঠকত মন্ত্ৰীগৰাকীয়ে বিষয়াসকলৰ সৈতে ভূমি বন্দোৱস্তি প্ৰস্তাৱক লৈ আলোচনা কৰে।

০০০০০০০

দেশী-বিদেশী পৰ্যটকৰ বাবে আজিৰেপৰা বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰা হৈছে। বিটিআৰৰ বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে আনুষ্ঠানিকভাৱে উদ্যানখনৰ প্ৰৱেশ দ্বাৰ মুকলি কৰে। এই অনুষ্ঠানত কেইবাগৰাকীও দেশী-বিদেশী পৰ্যটকে ধৰি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ কেইবাগৰীও বিষয়াও অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে যোৱা ৫ জুনৰ পৰা বাৰিষাৰ কাৰণে পৰ্যটকৰ বাবে উদ্যানৰ প্ৰৱেশ দ্বাৰ বন্ধ আছিল। শেহতীয়া গণনা অনুসৰি উদ্যানখনত ১৭২ টা দল হৰিণা, ৫৭টা বাঘ আৰু ৫০টা গড় আছে।

০০০০০০০

চীনত চলি থকা এছিয়ান গেমছত ভাৰতে এতিয়ালৈ ১৩টা সোণ, ১৬ টা ৰূপ আৰু ১৬ ব্ৰঞ্জৰে সৰ্বমুঠ ৪৫ টা পদক লাভ কৰিছে। পুৰুষৰ শ্বটপুটত তাজিন্দৰ পাল সিং টোৰে সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। আনহাতে অবিনাশ চাভলেই পুৰুষ ষ্টেপল চেচ ৩০০ মিটাৰত সোণৰ পদক লাভ কৰিছে। কাইনান ডৰিয়াছ চেনাই আৰু নিখট জাৰিণে বক্সিঙত ব্ৰঞ্জৰ পদক লাভ কৰিছে। গলফত অদিতি অশোকে ছিলভাৰ মেডেল লাভ কৰিছে।

অদিতি অশোক হৈছে এছিয়ান গেমছৰ গলফত পদক লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা। আনহাতে অসম সন্তান অম্লান বৰগোহাঁই ২০০ মিটাৰ দৌৰৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

ৰোজগাৰ মেলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিযুক্তিপত্ৰ বিতৰণ, ডেৰগাঁৱত কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ কৰি ৰাজ্যত অপৰাধ হ্ৰাস পোৱা বুলি মন্তব্য,ৰাষ্ট্ৰীয় স্বাস্থ্য চিন্তন শিবিৰত অসমৰ দুটাকৈ পুৰস্কাৰ লাভ, এছিয়ান গেমছত অসমৰ খেলুৱৈৰ সাফল্যকে ধৰি বিভিন্ন খবৰে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা মঙলবাৰে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৰোজগাৰ মেলাৰ অধীনত প্ৰায় ৫১ হাজাৰ প্ৰাৰ্থীৰ মাজত নিযুক্তিপত্ৰ বিতৰণ কৰে। এই উপলক্ষে শ্ৰী মোদীয়ে কয় যে ৰোজগাৰ মেলা যুৱ প্ৰজন্মৰ সবলীকৰণ আৰু দেশৰ বিকাশ প্ৰক্ৰিয়াত যুৱক-যুৱতীসকলৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে চলোৱা চৰকাৰৰ নিষ্ঠাপূৰ্ণ প্ৰয়াসৰ এটা ৰূপ। নৱনিযুক্ত প্ৰাৰ্থীসকলক অভিনন্দন জনাই প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ সেৱাৰ সংকল্পৰ জৰিয়তে ৰাষ্ট্ৰে লক্ষ্য পূৰণৰ দিশে অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

ইপিনে, গুৱাহাটীত অনুষ্ঠিত নৱম ৰোজগাৰ মেলাৰ কাৰ্যসূচীত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নতুনকৈ বাছনিপ্ৰাপ্ত প্ৰাৰ্থীসকলৰ মাজত নিযুক্তিপত্ৰ বিতৰণ কৰে। এই বৃহৎ নিযুক্তি সমাৰেশক সম্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী সোণোৱালে কয় যে যুৱ চামৰ সবলীকৰণৰ বাবে যোৱা ৯টা বছৰত প্ৰধানমন্ত্ৰীয়ে ভালেমান শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰীৰ শক্তিশালী আৰু নিৰ্ণায়ক সিদ্ধান্তৰ বাবে যুৱ প্ৰজন্মই অৰ্থনৈতিক বিকাশৰ সুফল ভোগ কৰিবলৈ সমৰ্থ হৈছে। ভাৰত বৰ্তমান বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতি বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে আমাৰ লক্ষ্য হৈছে ২০৩০ চনৰ ভিতৰত তিনিখন উন্নত ৰাষ্ট্ৰৰ মাজৰ এখন হিচাপে পৰিগণিত হোৱা। নৱনিযুক্ত প্ৰাৰ্থীসকলক সততা আৰু আন্তৰিকতাৰে কাম কৰি দেশৰ বিকাশত অৰিহণা যোগাবলৈও তেওঁ আহ্বান জনায়।

২০২১ চনৰ ৩১ মে'ৰ পৰা চলিত বছৰৰ ৩১ আগষ্টলৈ লাভ কৰা পৰিসংখ্যা অনুসৰি ৰাজ্যখনত অপৰাধ দ্ৰুতগতিত হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। যোৱা বৃহস্পিতবাৰে ডেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমীত অনুষ্ঠিত অসম আৰক্ষীৰ সশস্ত্ৰ আৰু নিৰস্ত্ৰ শাখাত নিযুক্তি লাভ কৰা কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। এই সমাৰোহত এহেজাৰ ৫৭৬গৰাকী পুৰুষ আৰু ২৪১ গৰাকী মহিলাসহ দুয়োটা শাখাত মুঠ এহেজাৰ ৮১৭গৰাকী আৰক্ষীৰ লোকে অংশগ্ৰহণ কৰে। সম্পূৰ্ণ নিকা ব্যৱস্থাৰে আৰক্ষী জোৱানসকলে নিযুক্তি লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইতিবাচক চিন্তাৰে অসম আৰক্ষীয়ে নেতৃত্ব বহন কৰিছে বুলিও মন্তব্য কৰে। ৰাজ্যখনত অপৰাধ হ্ৰাস পোৱাৰ প্ৰসংগতে মুখ্যমন্ত্ৰীয়ে কয় যে অভিযোগনামা দাখিলৰ ক্ষেত্ৰত ৪৫দশমিক ২ শতাংশৰ পৰা ৫৪দশমিক ২-২ শতাংশলৈ বৃদ্ধি হৈছে। আদালতত দোষী সাব্যস্ত হোৱা অপৰাধৰ হাৰ ৫ দশমিক ৬শতাংশৰ পৰা ১৫ শতাংশতকৈ অধিক হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা বছৰ এই হাৰ ২০ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত নতুন দিল্লীৰ বিজ্ঞান ভৱনত অনুষ্ঠিত আৰোগ্য মন্থন শীৰ্ষক ৰাষ্ট্ৰীয় স্বাস্থ্য চিন্তন শিবিৰত অসমে যোৱা মঙলবাৰে দুটাকৈ শিতানত শ্ৰেষ্ঠ ৰাজ্য হিচাপে পুৰস্কাৰ লাভ কৰিছে। আয়ুষ্মান কাৰ্ড সৃষ্টি আৰু বিতৰণ, এই দুয়োটা শিতানতে দেশৰ বৃহৎ ৰাজ্যসমূহৰ ভিতৰত অসমে শ্ৰেষ্ঠ ৰাজ্যৰ পুৰস্কাৰ লাভ কৰিছে। স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, চিকিৎসা, শিক্ষা তথা গৱেষণা বিভাগৰ আয়ুক্ত সচিব আৰু অটল অমৃত অভিযান সমিতিৰ মুখ্য কাৰ্যবাহী বিষয়া ডং সিদ্ধাৰ্থ সিঙে স্বাস্থ্য মন্ত্ৰী ডং মনসুখ মন্দাভিয়াৰ পৰা এই বঁটা গ্ৰহণ কৰে।

০০০০০০০

উত্তৰ-পূব উন্নয়ন দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে যোৱা শুকুৰবাৰে গুৱাহাটীৰ বঙৰাৰ টেক চিটিত অৰুণাচল প্ৰদেশক বাদ দি উত্তৰ-পূবৰ ৭ খন ৰাজ্যৰ বাবে 5G Application আৰু এটা 5G অভিজ্ঞতা কেন্দ্ৰ ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। উদ্বোধনী ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ২০২২ চনৰ ডিচেম্বৰত উত্তৰ-পূব-পৰিষদৰ সোণালী জয়ন্তী উদযাপনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰা দৃষ্টিভংগীৰ প্ৰতি লক্ষ্য ৰাখি এই কেন্দ্ৰটো গঢ়ি তোলা হৈছে। ২০৩০ চনৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলত 5G প্ৰযুক্তি আৰু ডিজিটেল সংযোগৰ সুবিধাৰে চাকৰি সৃষ্টি, উন্নয়নৰ লক্ষ্য পূৰণ আৰু বহনক্ষম উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি তেওঁ কয়।

০০০০০০০

অসম আৰু মেঘালয়ে মুক্ৰত সংঘটিত গুলীয়াগুলিৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা ন্যায়িক আয়োগ ভংগ কৰাৰ আৰু এই গুলিয়াগুলিৰ তদন্তভাৰ চি বি আইক অৰ্পণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চিবিআইয়ে তদন্তৰ নিৰপেক্ষতাৰ খাতিৰত গুৱাহাটী আৰু  শ্বিলঙৰ বাহিৰৰ অন্য কোনো নিৰপেক্ষ স্থানত  গোচৰ ৰুজু কৰিব। দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ৰ উপস্থিতিত কালি গুৱাহাটীত অনুষ্ঠিত মুখ্যমন্ত্ৰী পৰ্যায়ৰ সীমান্ত বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে অক্টোবৰ মাহৰ শেষ ভাগলৈ পৰিস্থিতিৰ বুজ লোৱা উদ্দেশ্যে খান্দুলি চকী পৰিদৰ্শন কৰিব।

অসম আৰু মেঘালয়ে লগতে অসমৰ কাৰ্বি আংলং জিলা আৰু মেঘালয়ৰ পশ্চিম জয়ন্তীয়া জিলাৰ অসম-মেঘালয় সীমান্তত অৱস্থিত খান্দুলি এলেকাৰ পৰা নিজ নিজ আৰক্ষী বাহিনীক প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়াৰে পৰা এলেকাটোত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ লোক নিয়োজিত কৰা হ'ব। বৈঠকত লগতে  দুয়োখন ৰাজ্যৰ মাজত বিবদমান বাকী ছটা অঞ্চলৰ সমস্যা অহা ৩১ ডিচেম্বৰৰ ভিতৰত নিষ্পত্তি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০

এছিয়ান গেমছত অসমৰ বক্সাৰ লাভলীনা বৰগোহাই আৰু ২০০ মিটাৰ দৌৰত অম্লান বৰগোহাইৰ পদক নিশ্চিত হৈছে। লাভলীনাই কালি দক্ষিণ কোৰিয়াৰ খেলুৱৈক পৰাজিত কৰি চেমিফাইনেলত প্ৰৱেশ কৰে। আনহাতে, আজি অম্লান বৰগোহাইয়ে এছিয়ান গেমছৰ ২০০ মিটাৰ দৌৰৰ ফাইনেলত প্ৰৱেশ কৰিছে।

এয়াই আছিল বিগত সপ্তাহটোত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা প্ৰধান বাতৰিসমূহৰ চমু অৱলোকন। ০০০০০০০